বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ মহান উদাৰতা আৰু দানশীলতাৰ পবিত্ৰ আদৰ্শৰ আলোকত তেখেতৰ মহৎ চৰিত্ৰৰ এক হৃদয়স্পৰ্শী আলোচনা

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ১৯ জুন ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবদ (ইউ,কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে, হজৰত আবু ছাঈদ খুদৰী (ৰাঃ)-এ বৰ্ণনা কৰিছে যে, আনছাৰসকলৰ কিছুমান লোকে ৰাছুলুল্লাহ (ছাঃ)ৰ ওচৰত কিবা খুজিলে (সহায় বিচাৰিলে)। তেখেত (ছাঃ)এ তেওঁলোকক দান কৰিলে। তেওঁলোকে পুনৰ খুজিলে আৰু তেখেত  (ছাঃ)এ আকৌ দিলে। তেওঁলোকে আকৌ খুজিলে আৰু তেখেত (ছাঃ)এ পুনৰ দিলে, অৱশেষত তেখেতৰ ওচৰত যি আছিল সকলো শেষ হৈ গ'ল।

তেতিয়া তেখেত (ছাঃ)এ কলে, মোৰ ওচৰত যিয়েই ধন-সম্পদ থাকিব, মই কেতিয়াও তাক তোমালোকৰ পৰা লুকুৱাই নাৰাখোঁ (বৰঞ্চ দান কৰি দিম)। আৰু যিয়ে লোকৰ ওচৰত হাত পতাৰ পৰা বাচি থাকিব বিচাৰে, আল্লাহ তা'লাই তাক (ন্যায়সংগতভাৱে) বচাই ৰাখে। আৰু যাৰ জগতৰ সম্পত্তিৰ প্ৰতি লোভ নাথাকে, আল্লাহ তা'লাই তাক অভাৱহীন (ধনী) কৰি দিয়ে। আৰু যিয়ে ধৈৰ্য্য ধৰিবলৈ চেষ্টা কৰে, আল্লাহে তাক ধৈৰ্য্য ধৰাৰ শক্তি দান কৰে; আৰু ধৈৰ্য্যতকৈ উত্তম আৰু ব্যাপক কোনো উপহাৰ বা নিয়ামত কাকো দিয়া হোৱা নাই।

হজৰত ইবনে ওমৰ (ৰাঃ)এ বৰ্ণনা কৰিছে যে, আমি নবী কৰীম (ছঃ)ৰ সৈতে এটা যাত্ৰাত আছিলোঁ আৰু মই এটা উদ্ধত উটৰ পিঠিত উঠি আছিলোঁ, যিটোৱে আন আন আৰোহীসকলৰ আগলৈ ওলাই গৈছিল। হজৰত ওমৰ (ৰাঃ)এ তাক বাধা দিছিল আৰু কঠোৰতা প্ৰয়োগ কৰি আছিল।

এই দৃশ্য দেখি ৰাছুলুল্লাহ (ছাঃ)এ ক'লে, এই উটটো মোক মূল্যৰ বিনিময়ত দি দিয়া। হজৰত ওমৰ (ৰাঃ)এ কলে যে, এয়া আপোনাৰে। ৰাছুলুল্লাহ (ছাঃ)এ ক'লে: নহয়, ইয়াক মোৰ ওচৰত বিক্ৰী কৰা। গতিকে তেওঁ উটটো তেখেত (ছাঃ)ৰ ওচৰত বিক্ৰী কৰি দিলে। তাৰ পিছত নবী কৰীম (ছাঃ)এ কলে, হে আব্দুল্লাহ বিন ওমৰ! এতিয়া এই উটটো তোমাৰ। এতিয়া ইয়াৰ সৈতে তুমি যি কৰিব বিচৰা, কৰা।

হুজুৰ আনোৱাৰে কৈছে যে উপহাৰ দিয়াৰো এটা ধৰণ বা শৈলী আছে। তাৰ পিছত এইটোও বুজাই দিলে যে এইটো এটা জন্তুহে, গতিকে ই যদি আন বাহনবোৰতকৈ আগবাঢ়ি যায়, তাত কোনো কথা নাই। এতিয়া যিহেতু এই উটটো ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি ৱা ছাল্লামে কিনি ল'লে, গতিকে ই যদি আন বাহনতকৈ আগবাঢ়িও যায়, তেন্তে এই বুলিহে কোৱা হ'ব যে ৰাছুলুল্লাহ (ছাঃ)ৰ উটটোহে আগবাঢ়ি গৈছে।

এটা যুদ্ধ (গজৱা)ৰ সময়ত হজৰত জাবিৰ (ৰাঃ)ৰ উটটো ভাগৰুৱা হৈ পৰিছিল আৰু খোজকাঢ়িবলৈ এলেহুৱা হৈছিল, যাৰ বাবে তেওঁ সৈন্যদলতকৈ পিছপৰি ৰৈ গৈছিল। ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম তেওঁৰ ওচৰলৈ আহিল আৰু তেওঁৰ খা-খবৰ ল'লে। জাবিৰে (ৰাঃ)ৰ উটটোৰ ভাগৰৰ কথা উল্লেখ কৰিলে। আঁহজৰত (ছাঃ) এ নিজৰ লাখুটিডালেৰে উটটোক টানি দিলে আৰু ক'লে যে এতিয়া ইয়াৰ ওপৰত আৰোহণ কৰা। জাবিৰ (ৰাঃ) এ কয় যে মই আৰোহণ কৰিলোঁ আৰু চালো যে ই ইমান বেগী হৈ পৰিল যে ৰাছুলুল্লাহ (ছাঃ)ৰ বাহনতকৈও আগবাঢ়ি যাবলৈ ধৰিলে, যাৰ বাবে মই ইয়াক নিয়ন্ত্ৰণ কৰিবলগীয়া হৈছিল। তাৰ পিছত আঁহজৰত ছাল্লাল্লাহু আলাইহি ৱা ছাল্লামে মোক সুধিলে, তুমি বিবাহ কৰিছানে? মই কলো, হয়, কৰিছোঁ। তেখেত (ছাঃ) য়ে কলে, চোৱা, তুমি তোমাৰ ঘৰ গৈ পাবাগৈ, যেতিয়া গৈ পাবা, তেতিয়া বুদ্ধিমত্তা আৰু সতৰ্কতাৰে কাম ল'বা। ঘৰত সুব্যৱহাৰ হোৱা উচিত। তাৰ পিছত তেখেত (ছাঃ) এ কলে তুমি তোমাৰ এই উটটো মোৰ ওচৰত বিক্ৰী কৰিবা নেকি? মই ক'লোঁ, হয়, বিক্ৰি কৰিম। গতিকে তেখেত (ছাঃ) এ মোৰ পৰা এক ওকীয়া ৰূপ (চান্দী)ৰ বিনিময়ত সেইটো কিনি ল'লে।

তাৰ পিছত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি ৱা ছাল্লাম মোতকৈ আগতে মদিনাত গৈ পালে আৰু মই পিছদিনা পুৱা পালোঁগৈ। তেখেত (ছাঃ) এ কলে, তোমাৰ উটটো ইয়াতে এৰি দিয়া আৰু মছজিদলৈ গৈ দুৰাকাত নামাজ আদায় কৰা। সেই অনুসৰি মই ভিতৰলৈ গৈ নামাজ পঢ়িলোঁ। হজৰত বিলালক তেখেত (ছাঃ) এ ক'লে যে ইয়াক এক ওকীয়া জোখ কৰি ৰূপ দি দিয়া। হজৰত বিলালে ওজন কৰোঁতে তুলাচনখনি অলপ দোৱাই দিলে, অৰ্থাৎ তাতকৈ অলপ বেছি দিলে। তাৰ পিছত মই পিঠি ঘূৰাই খোজ ল'লোঁ। তেখেত (ছাঃ) এ ক'লে, জাবিৰক মোৰ ওচৰলৈ মাতি আনা। আৰু ক'লে, তোমাৰ উটটো লৈ যোৱা আৰু ইয়াৰ মূল্যও তোমাৰেই। তেওঁ কয় যে আঁহজৰত চাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ তৰফৰ পৰা দিয়া এই উপহাৰটোত ইমান বৰকত (আশীৰ্বাদ) আছিল যে উটটো হজৰত ওমৰৰ দিনলৈকে জীৱিত আছিল।

তেখেতৰ আদৰ্শ, তেখেতৰ প্ৰশিক্ষণ আৰু তেখেতৰ আধ্যাত্মিক শক্তিৰ (কুৱতে কুদছী) প্ৰভাৱ সকলো ছাহাবীৰে ওপৰত আছিল। হজৰত খাদিজা ৰাজিয়াল্লাহু তা'লা আনহাৰ ওপৰতো এই প্ৰভাৱ আছিল আৰু সেইবাবেই তেওঁ কোনো দৰিদ্ৰতাৰ ভয় নোহোৱাকৈ নিজৰ সকলো ধন-সম্পত্তি তেখেতৰ চৰণত সমৰ্পণ কৰি দিছিল। এই সন্দৰ্ভত বৰ্ণনা কৰা হৈছে যে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি ৱা ছাল্লাম হজৰত খাদিজাৰ ওচৰলৈ আহিছিল আৰু তেখেত (ছাঃ) কিছু চিন্তিত আছিল। হজৰত খাদিজাই তেখেতক সুধিলে যে আপোনাৰ কি হৈছে? তেখেত (ছাঃ)এ কলে যে, এয়া দুৰ্ভিক্ষৰ সময়, তোমাৰ ওচৰত মোৰ লাজ লাগিছে যে যদি মই ধন খৰচ কৰোঁ তেন্তে তোমাৰ সম্পদ শেষ হৈ যাব, আৰু যদি খৰচ নকৰোঁ তেন্তে মই আল্লাহক ভয় কৰোঁ। হজৰত আবু বকৰে বৰ্ণনা কৰিছে যে খাদিজাই দীনাৰসমূহ উলিয়াই আনি তাৰ দ'ম লগাই দিলে, আনকি সম্পদৰ প্ৰাচুৰ্যৰ বাবে মই মোৰ সন্মুখত কোন বহি আছে তাকে দেখা পোৱা নাছিলোঁ। তাৰ পিছত হজৰত খাদিজাই ক'লে, আপুনি সাক্ষী থাকক, এই সকলো ধন-সম্পত্তি আঁহজৰত চাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ। তেখেতে যদি ইচ্ছা কৰে ইয়াক খৰচ কৰিব পাৰে আৰু যদি ইচ্ছা কৰে নিজৰ ওচৰত ৰাখিব পাৰে। তেখেত (ছাঃ) ৰ চিন্তা দূৰ কৰিবলৈ তেওঁ এইদৰে দি দিলে যে ঠিক আছে, আপুনি খৰচ কৰক।

এজন ব্যক্তি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ ওচৰলৈ আহিল আৰু কিবা এটা বিচাৰিলে। তেখেতৰ ওচৰত তেতিয়া দিবলৈ একো নাছিল, গতিকে তেখেতে ক'লে, তুমি মোৰ নামেৰে বস্তু কিনি লোৱা, যেতিয়া মোৰ ওচৰলৈ কিবা

আহিব, মই তাৰ মূল্য পৰিশোধ কৰি দিম। হজৰত ওমৰ (ৰাঃ)এ কলে, হে ৰাছুলুল্লাহ! আপুনি তেওঁক ইতিমধ্যে আগতেও দিছে। যিটো আপোনাৰ সাধ্যৰ বাহিৰত, আল্লাহ তা'লাই আপোনাক তাৰ বাবে দায়বদ্ধ কৰা নাই। মহানবী চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে হজৰত ওমৰৰ এই কথাটো পছন্দ নকৰিলে। তেতিয়া আনছাৰসকলৰ মাজৰ এজন ব্যক্তিয়ে ক'লে, হে ৰাছুলুল্লাহ! আপুনি খৰচ কৰক আৰু আৰ্শৰ মালিক আল্লাহৰ তৰফৰ পৰা দৰিদ্ৰতাৰ ভয় নকৰিব। আনছাৰজনৰ এই কথা শুনি তেখেতে হাঁহিলে আৰু তেখেতৰ মুখমণ্ডলত আনন্দ প্ৰকাশ পালে। তেখেতে ক'লে, মোক ইয়াৰেই নিৰ্দেশ দিয়া হৈছে।

এজন ছাহাবীয়ে মহানবী চাল্লাল্লাহু আলাইহি ৱা ছাল্লামক কিছু খেজুৰ আৰু তিয়ঁহ উপহাৰ দিছিল। ঠিক সেই সময়তে তেখেতৰ ওচৰলৈ বাহৰেইনৰ পৰা সোণৰ অলংকাৰ আহি পালে। মহানবী চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে সেই খেজুৰ আৰু তিয়ঁহৰ বিনিময়ত এমুঠি সোণৰ অলংকাৰ দান কৰিলে।

কোনো ব্যক্তি যদি ঋণগ্ৰস্ত অৱস্থাত মৃত্যুবৰণ কৰে আৰু ঋণ পৰিশোধৰ বাবে কোনো ধন-সম্পত্তি এৰি থৈ নাযায়, তেন্তে মহানবী চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে মুছলমানসকলক নিৰ্দেশ দিছিল, তোমালোকে তোমালোকৰ ভাইৰ জানাজাৰ নামাজ পঢ়া। তেখেতে কৈছিল, মই মুছলমানসকলৰ বাবে তেওঁলোকৰ আত্মীয়তকৈও অধিক আপোন। গতিকে মুমিনসকলৰ ভিতৰত যিজন মৃত্যুমুখত পৰে আৰু ঋণ এৰি থৈ যায়, তাক পৰিশোধ কৰাৰ দায়িত্ব মোৰ; আৰু যিয়ে সম্পত্তি এৰি থৈ যায়, সেয়া তেওঁৰ উত্তৰাধিকাৰীসকলৰ।

হুজুৰ আনোৱাৰে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ ঋণ পৰিশোধৰ সন্দৰ্ভত হজৰত বিলাল (ৰাঃ)ৰ এটা বিস্তাৰিত বৰ্ণনা দাঙি ধৰিছিল, য'ত আল্লাহ তা'লাই নিজৰ তৰফৰ পৰা এক অসাধাৰণ উপায়েৰে ঋণ পৰিশোধৰ ব্যৱস্থা কৰিছিল। যেতিয়া সকলো ঋণ পৰিশোধ হ'ল, তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে ক'লে, হে বিলাল! ঋণ পৰিশোধ কৰাৰ পিছত যি সম্পত্তি ৰৈ গৈছে, সেয়া দৰিদ্ৰসকলৰ মাজত বিতৰণ কৰি দিয়া। সেই নিশাটো তেখেতে মছজিদতে কটালে আৰু ঘৰলৈ নগ'ল। পিছদিনা সোধাত বিলালে জনালে যে সকলো ধন খৰচ হৈ গৈছে, তেতিয়া তেখেতে আল্লাহৰ মহত্ব আৰু প্ৰশংসা (হামদ) কৰিলে আৰু তাৰ পিছত তেখেতে নিজৰ পত্নীসকলৰ ওচৰলৈ গ'ল।

হজৰত ইবনে ওমৰ (ৰাঃ)এ বৰ্ণনা কৰিছে যে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে হজৰত জুবেইৰ (ৰাঃ)ক তেওঁৰ ঘোঁৰাটো যালৈকে দৌৰিব পাৰে তালৈকে জাগীৰ দিবলৈ নিৰ্দেশ দিছিল। ঘোঁৰাটো দৌৰি গৈ য'ত ৰৈছিল, জুবেইৰে তাৰ পৰা নিজৰ চাবুকডাল দলিয়াই দিছিল, যিডাল বহুদূৰলৈ গৈ পৰিছিল। ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে ক'লে, তেওঁৰ চাবুকডাল যালৈকে গৈছে, তালৈকে তেওঁক মাটি দি দিয়া।

হজৰত মছীহ মাওউদ আলাইহিছ ছালামে বৰ্ণনা কৰিছে যে এবাৰ মহানবী চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে নিজৰ ঘৰলৈ আহি সুধিলে, আমাৰ ঘৰত কি আছে? হজৰত আয়েশা ৰাদিয়াল্লাহু আনহাই দুটা আছৰফী (সোণৰ মুদ্ৰা) উলিয়াই দি ক'লে যে কেৱল এয়াই আছে। মহানবী চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে সেই আছৰফী দুটা নিজৰ হাতৰ তলুৱাত ল'লে আৰু ক'লে, সেই নবীজনৰ অৱস্থা কেনেকুৱা হ'ব যিয়ে নিজৰ পিছত দুটা আছৰফী এৰি থৈ যায়? আৰু তেখেতে লগে লগে সেই আছৰফী দুটা বিতৰণ কৰি দিলে।

হুনাইনৰ যুদ্ধত ৬,০০০ বা ৮,০০০ দাস-দাসী, ২৪,০০০ উট, ৪০,০০০ তকৈও অধিক ভেড়া-ছাগলী আৰু ৪,০০০ ওকিয়া (৪৯০ কিলোগ্ৰাম) ৰূপ যুদ্ধৰ সম্পত্তি (মাল-এ-গনিমত) হিচাপে লাভ হৈছিল। মহানবী হজৰত মহম্মদ (ছাঃ) ই 'তালিফ-এ-কাল্ব' (হৃদয় জয় কৰা বা সান্ত্বনা দিয়া) ৰে এই যুদ্ধৰ সম্পত্তি বিতৰণ আৰম্ভ কৰিছিল। এওঁলোক আৰবৰ বিশিষ্ট ব্যক্তি আছিল আৰু নিজ নিজ গোত্ৰৰ মাজত সন্মান তথা মৰ্যাদাৰ অধিকাৰী আছিল। তেখেত (ছাঃ) এ তেওঁলোকৰ হৃদয় জয় কৰিবলৈ এই ধন-সম্পত্তি দান কৰিছিল।

তেখেত (ছাঃ)এ সেই সময়ছোৱাত আবু ছুফিয়ান আৰু তেওঁৰ পুত্ৰসকলক ইমান প্ৰচুৰ পৰিমাণে সম্পত্তি দান কৰিছিল যে আবু ছুফিয়ানে কৈ উঠিছিল, হে আল্লাহৰ ৰাছুল (ছাঃ)! আপুনি অত্যন্ত দয়ালু। মোৰ পিতৃ-মাতৃ আপোনাৰ ওপৰত উৎসৰ্গিত হওক। মই আপোনাৰ সৈতে যুদ্ধ কৰিছোঁ আৰু আপুনি কিমান যে শ্ৰেষ্ঠ যোদ্ধা, আৰু মই আপোনাৰ সৈতে সন্ধিও কৰিছোঁ আৰু আপুনি কিমান যে উত্তম সন্ধিকাৰী।

হজৰত মছীহ মাওউদ (আঃ) এ উল্লেখ কৰিছে যে এটা সময়ত তেখেত (ছাঃ) ৰ ওচৰত বহু সংখ্যক ভেড়া আৰু ছাগলী আছিল। এজন অবিশ্বাসী (কাফিৰ) লোকে ক'লে যে আপোনাৰ ওচৰত ইমান বিশাল পৰিমাণৰ ভেড়া-ছাগলী জমা হৈ আছে যে কাইছাৰ আৰু কিছৰা (ৰোম আৰু পাৰস্যৰ সম্ৰাট) ৰ ওচৰতো ইমান নাই। তেখেত (ছাঃ)এ সেই মুহূৰ্ততে সকলোবোৰ তেওঁক দান কৰি দিলে। তেওঁ লগে লগেই ইছলাম ধৰ্ম গ্ৰহণ কৰিলে আৰু ক'লে যে এজন নবীৰ বাহিৰে কোনেও ইমান মহান উদাৰতা দেখুৱাব নোৱাৰে।

হুনাইন যুদ্ধৰ দিনা এগৰাকী মহিলা আহিছিল আৰু তেওঁ কিছুমান কবিতা আবৃত্তি কৰিছিল, য'ত তেখেত (ছাঃ) ৰ বনু হাৱাজিন জনজাতিত অতিবাহিত কৰা দুগ্ধপানৰ (শৈশৱৰ) দিনবোৰৰ কথা উল্লেখ আছিল। তেখেত (ছাঃ) এ এই কবিতাবোৰ শুনি বনু হাৱাজিনৰ সকলো সম্পত্তি তেওঁলোকক ঘূৰাই দিলে আৰু লগতে তেওঁলোকক অতিৰিক্তভাৱে ইমান সম্পত্তি দান কৰিলে যাৰ মূল্য পাঁচ লাখ দিৰহামৰ সমান আছিল।

হজৰত মহম্মদ (ছাঃ) ৰ উত্তম চৰিত্ৰ আৰু নৈতিকতাৰ গুণকীৰ্তন কৰি হজৰত মছীহ মাওউদ (আঃ) এ কৈছে যে তেওঁৰ চৰিত্ৰত চৰম পৰ্যায়ৰ ভাৰসাম্য পোৱা গৈছিল, আৰু প্ৰতিটো গুণেই নিজৰ নিজৰ স্থান আৰু সুযোগ অনুসৰি প্ৰকাশ পাইছিল। এই উত্তম চৰিত্ৰসমূহৰ ভিতৰত তেখেত (ছাঃ) ৰ উদাৰতাও যথোপযুক্ত স্থানত আছিল, ত্যাগ বা আত্মোৎসৰ্গও যথোপযুক্ত স্থানত আছিল আৰু কৃপাও উপযুক্ত স্থানতেই আছিল।

হুজুৰ আনোৱাৰে কৈছে যে যিদৰে হজৰত মহম্মদ (ছাঃ) ৰ শিক্ষা ভাৰসাম্যপূৰ্ণ, ঠিক তেনেদৰেই তেওঁৰ প্ৰতিটো কৰ্মও ইয়াৰ সৈতে সংগতি ৰাখি সম্পূৰ্ণ ভাৰসাম্যপূৰ্ণ আছিল। আল্লাহ তা'লাই আমাক মহানবী (ছাঃ) ৰ জীৱনদৰ্শনৰ প্ৰতিটো দিশ গভীৰভাৱে অনুধাৱন কৰা আৰু সেই অনুসৰি কাম কৰাৰ তৌফিক (সামৰ্থ্য) দান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاٰتِ اعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ـ

Assamese Khulasa Khutba Hazur Anowar 19 June 2026

Nazarat Nashor-O-Ishaat Qadian